# বৈদেশিক সচিব, শ্ৰী বিনয় মোহন কোৱাত্ৰাৰ জাপান ভ্ৰমণ (ফেব্ৰুৱাৰী ০৭-০৮, ২০২৪)

০৮ ফেব্ৰুৱাৰী ২০২৪

বৈদেশিক সচিব শ্ৰী বিনয় মোহন কোৱাট্ৰাই ০৭-০৮ ফেব্ৰুৱাৰী ২০২৪ তাৰিখে জাপানৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ত তেওঁৰ সম পৰ্যায়ৰ সচিবসকলৰ সৈতে উপ-মন্ত্ৰালয়ৰ আলোচনা আৰু বৈদেশিক কাৰ্যালয়ৰ পৰামৰ্শ বৈঠকৰ বাবে টকিঅ' ভ্ৰমণ কৰে।

২. এই ভ্ৰমণকালত বৈদেশিক সচিবে জাপানৰ বৈদেশিক পৰিক্ৰমা বিভাগৰ উপমন্ত্ৰী শ্ৰী মাচাটাকা নাকানোৰ সৈতে দ্বিপাক্ষিক আলোচনাত মিলিত হয় আৰু ৰাজনৈতিক সম্পৰ্ক, প্ৰতিৰক্ষা তথা নিৰাপত্তা, বাণিজ্য, বিনিয়োগ, প্ৰযুক্তি আৰু জনসাধাৰণৰ মাজত সম্পৰ্ককে ধৰি ভাৰত-জাপান বিশেষ কৌশলগত আৰু গোলকীয় অংশীদাৰীত্বৰ সমগ্ৰ ক্ষেত্ৰসমূহৰ পৰ্যালোচনা কৰে। দুয়োপক্ষই সম্পৰ্কৰ পৰিসৰ আৰু গভীৰতা সম্প্ৰসাৰিত কৰিবলৈ সন্মত হয়। তেওঁলোকে অংশীদাৰী আগ্ৰহৰ গোলকীয় বিষয়বোৰো আলোচনা কৰে।

৩. জাপানৰ কোৱাড শ্বেৰ্পা আৰু জ্যেষ্ঠ বৈদেশিক পৰিক্ৰমা বিভাগৰ জ্যেষ্ঠ উপ- মন্ত্ৰী শ্ৰী তাকেহিৰো ফুনাকোশীৰ সৈতে বৈদেশিক কাৰ্যালয়ৰ পৰামৰ্শ বৈঠকত বৈদেশিক সচিবগৰাকীয়ে আঞ্চলিক পৰিস্থিতি আৰু অংশীদাৰী ভাৰত-প্ৰশান্ত মহাসাগৰীয় অঞ্চলত ভাৰত-জাপান সহযোগিতা আৰু উমৈহতীয়া স্বাৰ্থৰ অন্যান্য বিষয়সমূহৰ ওপৰত মত বিনিময় কৰে।

৪. এই ভ্ৰমণকালত বৈদেশিক সচিবগৰাকীয়ে অৰ্থনীতি, বাণিজ্য আৰু উদ্যোগ মন্ত্ৰালয় আৰু প্ৰতিৰক্ষা মন্ত্ৰালয়কে ধৰি জাপান চৰকাৰৰ অন্যান্য জ্যেষ্ঠ কৰ্মকৰ্তাসকলৰ সৈতেও সাক্ষাৎ কৰে আৰু বিভিন্ন ক্ষেত্ৰত জাপানৰ নীতি নিৰ্ধাৰক, চিন্তা-নেতা আৰু কৰ্প'ৰেট বিষয়াসকলৰ সৈতে বাৰ্তালাপ কৰে।

৫. এই ভ্ৰমণে উচ্চ পৰ্যায়ৰ দ্বিপাক্ষিক আদান-প্ৰদানৰ ক্ষেত্ৰত ভেটি গঢ়াত সহায় কৰে আৰু ভাৰত আৰু জাপানৰ মাজত বন্ধুত্ব তথা সহযোগিতাৰ সম্পৰ্ক অধিক শক্তিশালী কৰাত অৰিহণা যোগাইছে।

**নতুন দিল্লী**
**০৮ ফেব্ৰুৱাৰী ২০২৪**